# যান্ত্ৰিক পদ্ধতিৰে ধান ৰোপণ

www.rkbassam.in

*Rice Fact Sheet*

ৰোৱনীযন্ত্ৰৰ জৰিয়তে মেট নাৰ্চাৰী বা দলিচা কঠীয়াতলীৰ কঠীয়া মূল পথাৰত ৰোৱা পদ্ধতিকে যান্ত্ৰিক পদ্ধতিৰে ধান ৰোপণ বুলি কোৱা হয়।

**যান্ত্ৰিক পদ্ধতিৰে ধান ৰোপণৰ লাভালাভ সমূহ ঃ**



- ৰোৱনীৰ প্ৰয়োজন কম হয়। যান্ত্ৰিক পদ্ধতিৰে চাৰিজন মানুহে এদিনত বাৰ বিঘা পৰ্যন্ত ধান ৰুব পাৰে।
- কঠীয়াতলীৰ পৰা উঠাই আনোতে কঠীয়াবোৰে কম কষ্ট পায়, পথাৰত কঠীয়াৰ বৃদ্ধি খৰটকীয়া আৰু সমভাৱে হয় ।
- শাৰী শাৰীকৈ ৰোৱাৰ বাবে যান্ত্ৰিক প্ৰক্ৰিয়াৰে বন-বাত নিয়ন্ত্ৰণ কৰাত সুবিধা হয়।
- গ্ৰামাঞ্চলৰ যুৱক আৰু মহিলা সকলৰ বাবে স্বনিৰ্ভৰশীল হোৱাৰ পথ মুকলি কৰে।

**যন্ত্ৰৰ দ্বাৰা ৰোপণ ঃ**

যান্ত্ৰিক ৰোপণৰ বাবে ‘বহি যাব পৰা’ বা ঠেলি নিয়া’ দুই ধৰণৰ ৰোৱণী যন্ত্ৰ ব্যৱহাৰ কৰা হয়।

➢ৰোৱণী যন্ত্ৰৰ দ্বাৰা ধান ৰোৱাৰ সময়ত পথাৰত 1-2 ছেঃ মিঃ পানী থাকিব লাগে। ৰোৱাৰ 1-2 দিন আগতে পথাৰ খন ভালদৰে বোকা কৰি লব লাগে। ৰোৱাৰ দিনাখনেই বোকা কৰিব নালাগে। অত্যাধিক পানী বা একেদিনাই পথাৰখন বোকা কৰি ৰোৱণী যন্ত্ৰৰে ৰোপণ কৰিলে কঠীয়াবোৰে মাটিত ভালদৰে খোপনী পোতাত অসুবিধা পায়।

➢ প্ৰয়োজন হলে 24 ঘন্টাৰ আগতে পথাৰত পানী দিব লাগে লগতে যন্ত্ৰটোৰ কাৰ্য্যদক্ষতা বঢ়াবলৈ অত্যাধিক পানী উলিয়াই দিব লাগে।

➢15-20 দিনীয়া কঠীয়া পথাৰত ৰোৱা হয়।

➢কঠীয়া কিমান দ' কৈ পোতা হব সেয়া নিৰ্দ্ধাৰণ কৰি সেইমতে যন্ত্ৰটো মিলাই লব লাগে।

➢কঠীয়া ৰোপণ কৰাৰ একসপ্তাহলৈকে পথাৰত বদ্ধপানী থাকিব নালাগে।

➢দলিচা বা মেট খিনি কৰবলৈ উঠোৱাৰ সময়ত কঠীয়াতলীখন শুকান হৈ থাকিব লাগে। মেট খিনি কাটিবৰ বাবে চোকা কটাৰী বা কাঁচি ব্যৱহাৰ কৰিব লাগে। ৰোৱণী যন্ত্ৰৰ জোখ অনুযায়ী দলিচা বা মেট খিনি টুকুৰা কৰিব লাগে।

➢কাটি লোৱা টুকুৰা বিলাক পথাৰৰ আলিত দুফালে থৈ দিব লাগে যাতে ৰোপণৰ সময়ত প্ৰয়োজন অনুযায়ী সংগ্ৰহ কৰিব পাৰে।

➢ৰোপণ কৰাৰ প্ৰাকমুহুৰ্তত ৰোৱণী যন্ত্ৰৰ আঙুলী (Finger) কেইটাই সঠিক ভাবে কাম কৰাটো নিশ্চিত কৰিব লাগে।

➢ৰোৱণী যন্ত্ৰটোৰ জোখৰ সমান ঠাই পথাৰৰ চাৰিওফালে ৰাখিহে ৰোপণ কৰিব লাগে।




Assam Agribusiness and Rural Transformation Project (APART)

The World Bank is the funding agency of APART
Department of Agriculture, Assam is the nodal department for implementation of APART
ARIAS Society is the State level coordinating and monitoring agency for APART
Assam Agricultural University is the leading Agricultural University of the State and implementing agency of APART, imparting research and scientific support.
International Rice Research Institute (IRRI) is the rice global leader providing technical and hand-holding support in the implementation of APART



The opinions espressed in this publication are those of the authors. They do not purport to reflect the opinions or views of the IRRI. *Attribution – Non Commercial-ShareAlike 3.0 (Unported)*